بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ৪ আগষ্টত মছজিদ বায়তুল ফুতুহ, মৌৰডন, লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

বাৎসৰিক জলছাৰ উদ্দেশ্য সমুহৰ ভিতৰত এটা উদ্দেশ্য হ'ল এয়া যে এনেকুৱা ভ্ৰাতৃত্ববোধ আৰু এজনে আনজনৰ প্ৰতি প্ৰশংসা মুখৰ সহৃদয়তাৰ জন্ম হওঁক, যি সকলোৰে বাবে এটা দৃষ্টান্ত স্বৰূপ হয়। বৃটেইনৰ বছৰেকীয়া জলছাৰ সাফল্য আৰু জলছা যোগদান কৰা শ্ৰদ্ধাস্পদ অথিতি বৃন্দৰ ঈমান বৰ্দ্ধক মন্তব্য।

তাশ্বাহুদ, তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আল্লাহ তায়লাৰ অশেষ কৃপা এয়া যে যোৱা সপ্তাহত বৃটেইনৰ বাৎসৰিক জলছা বৰ সফলতাৰ সৈতে অনুষ্ঠিত হৈ গ'ল। জলছাৰ তিনিটা  দিনত আল্লাহ তায়লাৰ দয়া আৰু কৃপাৰ দৃশ্য আমি উপলব্দি কৰিব পাৰিছো। লগতে জলছাত যোগদান কাৰী সকলেও উপলব্দি কৰিছে যে সকলো ক্ষেত্ৰতেই আল্লাহ তায়লাৰ কৃপা বৰ্ষিত হৈছিল। গতিকে এই বিষয়ে আমি যিমানেই আল্লাহ তায়লাৰ প্ৰশংসা কৰো সেয়া বহুত কম বা পৰ্যাপ্ত নহয়। কৰ্মী সকলেও আল্লাহ তায়লাৰ শলাগ লোৱা উচিত। লগতে জলছাত যোগদান কাৰী সকলেও আল্লাহ তায়লাৰ শলাগ লৈ তাৰ অশেষ দান গ্ৰহণ কৰিব লাগে আৰু কৰ্মীবৃন্দ, সেৱক সেৱিকা সকললৈ প্ৰশংসামূখৰ হ'ব লাগে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আল্লাহ তায়লাৰ কৃপাত আমি যেতিয়া আপোন, পৰ সকলোৰে সৈতে প্ৰেম, ভালপোৱা, ভাতৃত্ববোধ প্ৰকাশ কৰি থাকো তেতিয়া অতিথি সকলে নথৈ আনন্দিত আৰু প্ৰভাৱিত হয়। শৈক্ষিক আৰু ধৰ্মীয় প্ৰোগ্ৰাম সমুহৰ ওপৰিও প্ৰত্যেক আহমদীৰ সুচিত কৰ্ম দৃষ্টান্তই যোগদান কৰা অমুছলিম আৰু মুছলিম অতিথি সকলক বাৰুকৈয়ে মুগ্ধ কৰিছে। যাৰ ফল স্বৰূপে তেওঁলোকে ব্যাক্ত কৰে যে ইছলামৰ প্ৰকৃত শিক্ষাৰ দৃষ্টান্ত আমি এই জলছাত দেখিবলৈ পাইছো। ইয়াৰে কিছুমান অমুছলিম অতিথি বৃন্দই তেওঁলোকৰ প্ৰভাৱ পূৰ্ণ হৃদয়ৰ উচ্চ ভাৱ মন্তব্য আকাৰে প্ৰকাশ কৰে। তেওঁলোকে জলছাৰ পৰিবেশ পৰিস্তিতি অৱলোকণ কৰি স্পষ্ট ভাৱে মন্তব্য কৰে যে যদি এয়া প্ৰকৃততে ইছলামী শিক্ষা হয় তেন্তে এই বাস্তৱ শিক্ষাই আজি পৃথিৱী ব্যাপি বিস্তাৰ লাভ কৰাৰ অতি প্ৰয়োজন আছে।

বেনিনৰ প্ৰাক্তন বৈদেশিক মন্ত্ৰী আৰু প্ৰেছিডেণ্টৰ উপদেষ্টা মৰিয়ম বোফি জিয়ালু চাহিবায় কয় যে; মই এই জলছাৰ পৰা জমাত আহমদীয়াৰ গভীৰতা অনুধাৰণ কৰিবলৈ সুবিধা লাভ কৰিব পাৰিছো। মই জলছাৰ ব্যাৱস্থাপনা চাই বৰকৈ মুগ্ধ হৈছো। কৰ্মী সকলৰ শৃংখলা পূৰ্ণ ব্যাৱস্থাপনা বৰ উচ্চ মান বিশিষ্ঠ আছিল। কৰ্মী সকলৰ মনযোগ, একাগ্ৰতাত বৰ আচৰিত হৈছো যে কতো কোনো ত্ৰুটি পৰিলক্ষিত হোৱা নাই। তাই আৰু কয় যে; মই দেখিবলৈ পাইছো যে সৰু, ডাঙৰ, ল'ৰা, বুঢ়া, পুৰুষ-মহিলা, মুঠতে সকলো কৰ্মী বৃন্দই বেলেগক আৰাম প্ৰদানাৰ্থে সাজু আছিল। প্ৰত্যেকেই নিজৰ আৰাম পাহৰি বেলেগৰ আৰামৰ বাবে চেষ্টা কৰিছিল। তাই কয় যে; সেই ইছলাম যি আহমদীয়তে আগবঢ়াই আছে, সেয়াইহে পৃথিৱীক নিৰাপত্তা দিব পাৰিব। পৃথিৱীৰ সকলো সমস্যাৰ সমাধান ইয়াতে আছে। আকৌ কয় যে ইমাম জমাত আহমদীয়াই মহিলা সকললৈ যি ভাষণ আগবঢ়াইছিল তাত এটা বিশেষ গভীৰতা আছে যে অন্যান্য মুছলমান দল বিলাকে মহিলাক দাসতকৈ বেছি একো মৰ্যদা নিদিয়ে কিন্তু এখেতে মহিলাক এটা শিক্ষয়ত্ৰী বুলি উল্লেখ কৰিছে। ভৱিষ্যত প্ৰজন্মৰ শিক্ষা, তৰবিয়তৰ দায়িত্ব মহিলাৰ ওপৰত ন্যাস্ত কৰিছে যাৰ ওপৰত পৃথিৱীৰ ভৱিষ্যত নিৰ্ভৰশীল।

আকৌ গুৱেটেমালাৰ এজন সংসদীয় সদস্য এলিনা কেলিচে মন্তব্য কৰে যে; এই জলছাত অংশগ্ৰহন কৰাটো মোৰ বাবে আচৰিত ধৰণৰ জ্ঞান লাভৰ বাট মুকলি হ'ল। ইছলাম আৰু জমাত আহমদীয়াৰ বিষয়ে মোৰ যি ধাৰণা আছিল সেয়া সমুলি পৰিৱৰ্তন হ'ল। আজি কালি মিডিয়াই ইছলাম সম্পৰ্কে ভূল আৰু ভয়ানক প্ৰতিচ্ছবি এটাৰ জন্ম দিছে যে ইছলামে জুলুম অত্যাচাৰ আৰু ঘৃণা বিদ্বেষৰ শিক্ষা দিয়ে। কিন্তু আমি এই জলছাত ইছলামৰ প্ৰকৃত নিৰাপত্তাময় শিক্ষাৰ কাৰ্য্য কৰী সজীৱ ছবি দেখিবলৈ পাইছো। কৰ্মী সকলে হাজাৰ হাজাৰ অতিথিৰ আলপৈচান ধৰাটোয়ে এটা আচৰিত দৃশ্য দাঙি ধৰিছে। ইয়াৰে পৰা আমি ইছলামৰ নিৰাপত্তাময় মনোৰম শিক্ষাৰ ধাৰণা লৈ ঘুৰি গৈ আছো।

এনেদৰে কোষ্টাৰিকাৰ ন্যাশ্বনেল ইউনিভাৰছিটিৰ অধ্যাপক ছাৰ এজিওমায়া জলছাত যোগদান কৰে। তেওঁ কয় যে মই এই জলছাৰ  জৰিয়তে ইছলামৰ নতুন ছবি এটা দেখিবলৈ পাইছো। মুছলমান সকলৰ এনেকুৱা এটা জমাত দেখিবলৈ পাইছো যি পাৰস্পৰিক প্ৰেম ভালপোৱাত অন্যতম দৃষ্টান্ত স্থাপন কৰিছে। যি সকলে ঈমানৰ কাৰ্য্যকৰী প্ৰতিচ্ছবি আগবঢ়াইছে। মই ওভতি গৈ নিজৰ অঞ্চলত আৰু ছাত্ৰ-ছাত্ৰীক জনাম যে জমাত আহমদীয়াই ইছলামৰ প্ৰকৃত আৰু মনোৰম শিক্ষাক কাৰ্য্যকৰী হিচাপে আগবঢ়ায়। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এওঁলোকেই আমাৰ তবলিগৰ মাধ্যম স্বৰূপ।

আকৌ কোষ্টাৰিকাৰ এজন সংসদ উপদেষ্টা ডগলাচ ছোণ্টি ৰুছু চাহাবে কয় যে; মই জলছাত ইমাম জমাত আহমদীয়াৰ ভাষণ বৰ মনযোগেৰে শুনিছো। তেখেতৰ উপদেশে মোক বাৰুকৈয়ে মুগ্ধ কৰিছে যে নিজৰ শত্ৰুক ক্ষমা কৰি দোৱা কৰিলে হৃদয়ৰ ইৰ্ষা হিংসা দুৰীভূত হয়। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এয়া হ'ল সেই শিক্ষা যি হজৰত মছিহ মাওউদ (আঃ) য়ে আমাক প্ৰদান কৰিছে। এই শিক্ষায় পৃথিৱীত নিৰাপত্তাৰ ভেটি স্থাপন কৰিব পাৰিব। উক্ত ভাষণৰ পৰা মই আধ্যাত্মিক আৰু বাস্তৱ ক্ষেত্ৰত বহুত লাভ আহৰণ কৰিব পাৰিছো। ইছলামৰ প্ৰকৃত প্ৰতিচ্ছবি মই এই জলছাত দেখিবলৈ পাইছো।

এজনী ক্ৰোশেইন মহিলা কেট্ৰিনা ছালিক চাহিবায় কয় যে মই প্ৰথমৰ পৰাই চাৰ্চত কাম কৰিছিলো। দৰাচলতে মই এতিয়া সজ বাট বিচাৰি আছো। মই জলছাৰ পৰিবেশ আৰু প্ৰদৰ্শনী বোৰ চাই আৰু জমাতৰ বিভিন্ন দিশ জনাৰ পিছত মোৰ জ্ঞানৰ চুৰাৰ মেল খাইছে। মোৰ অনুমান হয় যে অনতি পলমেই মোৰ সজ বাট সন্ধানী ভ্ৰমন গন্তব্যস্থান গৈ পাব। ইমাম জমাত আহমদীয়াৰ ভাষণে মোৰ হৃদয়ত গভীৰ আঁচ বহাই গৈছে।

ক্ৰোশিয়াৰ এক দম্পত্তি জলছাত যোগদান কৰে। মোৰ লগত সাক্ষাৎ কৰি কয় যে; আমি যোৱা বছৰ এনে সাধাৰণ মুছলমানৰ দৰে জলছাত যোগদান কৰিছিলো কিন্তু এইবাৰ আমি আহমদী মুছলমান হিচাপে জলছাত অংশগ্ৰহন কৰিছো।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; যেনেকৈ জলছাৰ দিনকেইটাত আমাৰ জমাতৰ ফালে মানুহ আকৃষ্ট হয় বা লোক প্ৰভাৱিত হয় তেনেকৈ সাধাৰণ দিনবোৰতও এই অৱস্থা প্ৰতিষ্ঠিত ৰাখিব লাগিব। ইয়াৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে উল্লেখ কৰে যে কিছুমান লোক যি সকলে নিজৰ চৰকাৰৰ নেতা অথবা প্ৰতিনিধি, তেওঁলোকেও জলছাত অংশগ্ৰহন কৰিছিল। তেওঁলোকৰ মন্তব্য মই উল্লেখ কৰিবলৈ লৈছো।

গিনিকিনাকৰিৰ ওয়াইজ প্ৰেছিডেণ্ট আলহাজ মহম্মদ ওয়াছলিম চাহাবে কয় যে; মই হ'জ আদায় কৰাৰ সুবিধা পাইছিলো আৰু বহুতো মুছলমান দেশৰ ধৰ্মীয় প্ৰোগ্ৰামত অংশগ্ৰহন কৰিছো কিন্তু এনেকুৱা প্ৰশংসাৰ যোগ্য ব্যাৱস্থাপনা মই কতো দেখা নাই। দৰাচলতে এয়াই হ'ল ইছলামৰ প্ৰকৃত ছবি. যি আমি ইয়াত দেখিবলৈ পাইছো। আপোনালোকে নিজৰ কামত সকলোৰে আগত অৱস্থান কৰিছে। আপোনালোকেই শুদ্ধ বাটত ৰৈ আছে। মোৰ বিশ্বাস যে আপোনালোকৰ পিছত খোদা তায়লাৰ হাত ৰৈ আছে।

ছেৰালিউনৰ সাংসদীয় সদস্য আলা ক্লাকো চাহাবে কয় যে; আহমদীয়তেই হ'ল ইছলামৰ প্ৰকৃত প্ৰতিচ্ছবি। আহমদী সকলে নিৰাপত্তাৰ আলোকৰ বাবে যি যত্ন কৰি আছে সেয়া সন্মানৰ যোগ্য। আজি কালি ইছলামৰ নাম

চাৰিওফালে আতংবাদৰ সৈতে মিলাই লোৱা হয়। কিন্তু আহমদী সকলে এই ধাৰণা সমুলি ভূল প্ৰমাণিত কৰিবলৈ লৈছে। জলছাৰ ব্যাৱস্থাপনা বহুত উচ্চ মান বিশিষ্ট আছিল। সৰু-সৰু ল'ৰা-ছোৱালী বিলাকেও লোক সেৱাত নিমগ্ন আছিল। এই দৃশ্য বৰ হৃদয় গ্ৰাহী আৰু মোৰ বোধেৰে জমাত আহমদীয়াৰ সত্যতা প্ৰমাণ কৰিবলৈ এই দৃশ্যই যথেষ্ট।

আকৌ তুৰ্কিনিস্থানৰ এজন বন্ধু আব্দুৰ ৰশিদ চাহাবে কয় যে; যিদিনা মই লণ্ডন আহি পাইছো, সেই দিনাৰ পৰাই মই প্ৰেম ভালপোৱাত আৱেষ্টিত হৈ আছো। যেনিবা মই মাক দেউতা পৰিয়াল বৰ্গৰ মাজত ৰৈ আছো। তেওঁ কয় যে; জলছাত অংশগ্ৰহন কৰি মই এই কথাটো বুজি পাইছো যে মই মোৰ গোটেই জীৱণ আল্লাহ তায়লাক বিচাৰি কটাইছো কিন্তু আল্লাহ তায়লাক ইয়াতেহে আহি পালো। আল্লাহ তায়লাৰ কৃপাত মই বিশ্বব্যাপি বয়াত অনুষ্ঠানত অংশ লৈ বয়াত গ্ৰহনৰ সামৰ্থ্য লাভ কৰিলো।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; যেতিয়া ন-মবাইন সকলে প্ৰেম ভালপোৱা আৰু ভ্ৰাতৃত্ববোধৰ দৃশ্য দেখিবলৈ পায় তেতিয়া তেওঁলোকৰ ঈমান আৰু বৰ্দ্ধিত হয়। জমিকাৰ এজনী ন-মবাইন মহিলায় (বনছন অলিম চাহিবা) কয় যে জলছাত খলিফাতুল মছিহৰ ভাষণ আৰু বিশ্বব্যাপি বয়াতৰ দৃশ্য এটা হৃদয় উন্মোচক জ্ঞানৰ আলোক আছিল। যেতিয়া মই কৰ্মী সকলক নিস্বাৰ্থ ভাৱে খিদমত কৰোঁতে দেখিছো, মই উপলব্দি কৰিব পাৰিছো যে এয়া এটা ইলাহি জমাত আৰু খলিফা ওয়াক্তৰ প্ৰতি আল্লাহ তায়লাৰ পোনপটীয়া সহায় সহযোগ আছে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; বিশ্বব্যাপি বয়াতৰ দৃশ্যই অমুছলিম সকলৰ ওপৰতো বৰ প্ৰভাৱ পেলায়। ক্ৰোশিয়ান পাৰ্লিয়ামেণ্টৰ সদস্য জলছাত অংশগ্ৰহন কৰি, এই বয়াত সম্পৰ্কে কয় যে এই বিশ্বব্যাপি বয়াতৰ অনুষ্ঠানে মোক বাৰুকৈয়ে মুগ্ধ কৰিছে। মই খৃষ্ট ধৰ্মৰ Faithly Confirmation অনুষ্ঠানত দুবাৰকৈ অংশগ্ৰহন কৰিছো কিন্তু যি আগ্ৰহ, একতা আৰু ধৰ্মীয় আনুগত্য মই জমাত আহমদীয়াৰ বিশ্বব্যাপি বয়াত অনুষ্ঠানত দেখিবলৈ পাইছো এয়া বাৰুকৈয়ে তবধ লগোৱা আৰু বিস্ময়কৰ উপলব্দি আছিল। এয়া মোৰ জীৱণ ব্যাপি মনত থাকিব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; প্ৰেছ বিভাগৰও মনযোগ আমাৰ ফালে আৰ্কষিত হৈছে। জলছাৰ পৰিবেশত মুগ্ধ হৈ প্ৰেছ বিভাগে ইছলামৰ বিষয়ে বহুত সচাঁ খবৰ প্ৰচাৰ কৰিবলৈ বাধ্য হৈ পৰিছে। ভলি বিয়াৰ ন্যাশ্বনাল নিউজ চ্যানেলৰ এজন সাংবাদিকে নিজৰ মন্তব্য আগবঢ়াবলৈ গৈ কয় যে পশ্চিমীয়া সকলে ভাৱে যে ইছলামে নাৰীক পিছত ৰাখে আৰু তেওঁলোকৰ কোনো মৰ্যদা নিদিয়ে। কিন্তু মই ইয়াত দেখিলো যে ইমাম জমাত আহমদীয়াই কৃতিত্ব অৰ্জনকাৰী মহিলা সকলক বঁটা প্ৰদান কৰিছে আৰু প্ৰত্যেকজনী মহিলাক বিশেষ-বিশেষ মৰ্য্যদাৰ সৈতে মাতি দিয়া হৈছে। মোৰ ইচ্ছা জাগিছে যে মই ওভতি যোৱাৰ পিছত মোৰ কাকতত এই বিষয়ে নিশ্চয় লিখিম যে পৃথিৱীত কেতিয়াবা কোনো নেতাই কেৱল মহিলা সকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰিছেনে ? কেতিয়াও কৰা নাই।

ভলিবিয়াৰ এজন সাংবাদিক কাৰ্লোচ জমি ৰিয়াচ চাহাবে কয় যে; জমাত আহমদীয়াৰ যিটো বিষয়ে মোক আটাইতকৈ বেছি প্ৰভাৱান্বিত কৰিছে সেয়া হ'ল জমাত আহমদীয়াৰ বিশ্বব্যাপি নিৰাপত্তা প্ৰতিষ্ঠা কৰাৰ আগ্ৰহ আৰু চেষ্টা। এয়া আজি এনেকুৱা এটা আহ্বান যি অতি গুৰুত্বপূৰ্ণ আৰু অতি প্ৰয়োজনীয়।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; যিয়েই নহওক : জলছাৰ পৰিবেশ আৰু কৰ্ত্তব্যৰত সকলৰও এটা অন্যতম প্ৰভাৱ আছে। যিটোয়ে সকলো ন্যায়বোধ থকা সকলক মুগ্ধ কৰে। আল্লাহ তায়লা সকলো কৰ্ত্তব্যৰত সকলক উৎকৃষ্ট ফল দান কৰক আৰু যোগদানকাৰী সকলক, যি সকলে ইছলামৰ এই নীৰৱ শ্ৰম তবলিগত ভাগ লৈছে শুভ, ফল দান কৰক।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে প্ৰেছ বিভাগেও ভালেখিনি সম্প্ৰচাৰ কৰিছে। মিডিয়াৰ জৰিয়তে

জলছা সম্পৰ্কে ৩৫৮ টা খবৰ প্ৰচাৰ কৰা হৈছে। এতিয়া এই সংখ্যা আৰু বাঢ়ি গৈ আছে। এটা সঠিক ধাৰণা অনুযায়ী সকলো বিভাগৰ জৰিয়তে ১২৮ মিলিয়নতকৈ অধিক লোকলৈ পয়গাম প্ৰেৰণ কৰা হৈছে। আফ্ৰিকাৰ বাৎসৰিক জলছাৰও সম্প্ৰচাৰ কৰা হৈছে। আফ্ৰিকাত এম.টি.এ. ৰ ওপৰিও আৰু দহটামান চ্যানেলত এই জলছা দেখুৱা হৈছে। যাৰ বাবে বিভিন্ন দেশ সমুহত সকলো মিলি ১৫০ ঘণ্টা সময় কোৱেজ কৰা হৈছে।

আল্লাহ তায়লা আমি আমাৰ দায়িত্ব পালন কৰাৰ সৰ্বদায় তৌফিক দান কৰক। আল্লাহ তায়লাৰ কৃপা লাভ কৰিবলৈ আমি যেন সদায় দ্বীনক-দুনীয়াৰ ওপৰত প্ৰাধান্য দি আমি আমাৰ দায়িত্ব পালন কাৰী হওঁ।

খোতবা জুমাৰ শেষত হুযুৰ আনোৱাৰ (আইঃ) য়ে তিনি জন মৰহুমিনৰ নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। প্ৰথম জানাজা হ'ল কমৰৰম চাহাবজাদী জকিয়া বেগম চাহিবা, পত্নী কৰ্ণেল মিৰ্জা দাউদ আহমদ চাহাব, বিনতে হজৰত নোৱাব আমতুল হাফিজ বেগম চাহিবা ও নোৱাব আব্দুল্লাহ খান চাহাব। দ্বিতীয় মকৰৰম তাৰিক মাছুদ চাহাব (মুৰববী ছিলছিলা নজাৰতে ইচলাহ-অ-ইৰশাদ মৰকজিয়া) ৰবোৱা। ইবনে মকৰম মাছুদ আহমদ তাহিৰ চাহাব। তৃতীয় মকৰৰম স্বাকিল আহমদ মনিৰ চাহাব (প্ৰাক্তন মিচনাৰি ইঞ্চাৰ্জ অষ্ট্ৰেলিয়া) ইবনে মকৰৰম হাকিম খলিল চাহাব মোঙ্গেৰি। আল্লাহ তাযলা উক্ত মৰহুমিন সকলৰ মৰ্যদা উন্নীত কৰক। (আমিন)

*********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 4 August 2017**

**BOOK POST (PRINTED MATTER)**

**To**

-----------------------------------------------------------------------------------------
-----------------------------------------------------------------------------------------
-----------------------------------------------------------------------------------------
-----------------------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737**